# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ৩০ জুলাই তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ উচ্চ মৰ্যাদা সম্পন্ন খলিফা ৰাশেদ ফাৰুকে আজিম হজৰত উমৰ বিন খাত্তাব (ৰাঃ)ৰ প্ৰশংসনীয় গুণাৱলীৰ চমু বিৱৰণী**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ কালত সংগঠিত হোৱা যুদ্ধ বিলাকৰ চমু বিৱৰণী চলি আছে। মদায়েনৰ বিজয় সম্পৰ্কে থকা আঁ-হজৰত (ছাঃ)ৰ ভৱিষ্যতবাণী উল্লেখ কৰি হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে ছিৰত খাতামান্নাবীঈন পুস্তকত লিখিছে যে পৰিখাৰ যুদ্ধৰ খাল খান্দি থাকোতে এঠাইত এনেকুৱা এটা পাথৰ ওলাই বাধাৰ সৃষ্টি কৰিছিল যে পাথৰটো কোনো মতেই ভাঙিব পৰা হোৱা নাছিল। চাহাবা সকলে তিনি দিনৰ ভোক পিয়াহত আঁতুৰ হৈ পৰিছিল। অৱশেষত তেখেত সকলে উপায় বিহীন হৈ ৰছুলে পাক (ছাঃ)ৰ ওচৰত গৈ উপস্থিত হৈছিল। তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়েও ভোক পিয়াহৰ তাড়নাত পেটত পাথৰ বান্ধি ৰখা কৰিছিল। চাহাবা সকলে খবৰ দিয়াৰ লগে লগে তাৰে আহি কোদাল এখন হাতত লৈ আল্লাহ আকবৰ বুলি কৈ পাথৰটোৰ ওপৰত আঘাত হানিছিল। লোৰ আঘাতত পাথৰৰ পৰা ফিৰিঙতি ওলাইছিল। তাৰ পিছত আৰু জোৰেৰে আল্লাহ আকবৰ ধ্বনি দিছিল আৰু কৈছিল-মোক শ্বাম সাম্ৰাজ্যৰ চাবি কাঠি দিয়া হৈছে আৰু শ্বামৰ ৰঙা মহল বিলাক মোৰ চকুৰ আগত ভাহি উঠিছে। ইয়াৰ পিছত তেখেত (ছাঃ)য়ে আকৌ সেই পাথৰটোৰ ওপৰত আঘাত হানি কৈছিল মোক ফাৰচৰ চাবি কাঠি প্ৰদান কৰা হৈছে আৰু মদায়েনৰ বগা মহল বিলাক মই চাই আছো। ইয়াৰ পিছত তৃতীয় বাৰ হুজুৰ (ছাঃ)য়ে সেই পাথৰটোৰ ওপৰত কোদালেৰে কোব মাৰিছিল আৰু কৈছিল মোক ইয়ামিনৰ চাবি কাঠি দিয়া হৈছে আৰু চানাআৰ দোৱাৰ মোক দেখুওৱা হৈছে।

হুজুৰ পাক (ছাঃ)য়ে এই দৃশ্য কাশ্‌ফি (দিব্য দৰ্শন) অৱস্থাৰ লগত সম্পৰ্কিত আছিল। আচলতে সেই দুৰাৱস্থাৰ সময়ত আল্লাহ তালা আঁ-হজৰত (ছাঃ)ক মুছলমান সকলৰ ভৱিষ্যত বিজয় আৰু স্বচ্ছলতাৰ দৃশ্য দেখুৱাই চাহাবা সকলৰ মনত আশাৰ ৰেঙুনি যোগাই উদ্দীপনাৰ জন্ম দিছিল। মদায়েন বিজয়ৰ প্ৰতিশ্ৰুতি হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ কালত হজৰত ছাআদ (ৰাঃ)ৰ হাতত পূৰ্ণ হৈছিল। কাদছিয়া বিজয়ৰ পিছত বৰ্তমান

ইৰাকৰ পুৰণি চহৰ বাবুল জয় হৈছিল। বাবুল চহৰ দখল কৰাৰ পিছত কোছা নামৰ এখন ঐতিহাসিক চহৰৰ ফালে আগবাঢ়ি যায়, এই ঠাইখিনি বাবুল চহৰৰ কাষৰীয়া অঞ্চল আছিল। কোছা সেইখন ঠাই আছিল য'ত হজৰত ইব্ৰাহিম (আঃ)ক নমৰুদে বন্দী কৰিছিল আৰু সেই কাৰাগাৰৰ ঠাইখিনি তেতিয়াও তেনেদৰেই আছিল। হজৰত ছাআদ (ৰাঃ)য়ে যেতিয়া সেই ঠাইত উপস্থিত হৈ বন্দীশাল খন দেখিছিল তেতিয়া কোৰ-আন কৰিমৰ এই আয়াত পাঠ কৰিছিল। **তিলকাল আইয়ামু নুদাৰিলুহা বায়নান্নাছ** অৰ্থাৎ এই দিনটো এনেকুৰা যে আমি ইয়াক লোকৰ মাজত পৰিবৰ্ত্তন (সাল-সলনি) কৰি থাকো যাতে তেওঁলোকে বুজি পায়। ইয়াৰ পিছত কোছাৰ পৰা ইছলামী সৈন্য বহৰে ছিৰতত গৈ উপস্থিত হৈছিল, তাত ইৰাণী সকলে কিছ্ৰাৰ পোহনীয়া বাঘ সৈন্য সকলৰ ওপৰত আক্ৰমণ চলাবলৈ এৰি দিছিল, যিয়ে গোজৰণি মাৰি আহি সৈন্য সকলৰ ওপৰত জপিয়াই পৰিছিল। হজৰত ছাআদ (ৰাঃ)ৰ ভাইয়েক হাশিম বিন আবি উকাচে সেই বাঘটোক তৰোৱালেৰে ঘপিয়াই হত্যা কৰিছিল।

কিছ্ৰাৰ সাম্ৰাজ্য মদায়েন বাগদাদৰ পৰা উত্তৰ ফালে কিছু দূৰতে অৱস্থিত দাজলা নদীৰ কিনাৰলৈকে বিস্তৃত আছিল। মুছলমান ফৌজে সেই নদীখন পাৰ হৈ যোৱাৰ কোনো উপায় বিচাৰি পোৱা নাছিল। এনেতে এদিন ৰাতি হজৰত ছাআদ (ৰাঃ)য়ে সপোনত দেখিছিল যে মুছলমান সকলৰ ঘোঁৰা পানীৰ মাজত প্ৰৱেশ কৰি আছে। হজৰত ছাআদ (ৰাঃ)য়ে কৈছিল যে হে মুছলমান সকল! এই নদীখন সাতুৰি পাৰ হৈ যাওঁ এই বুলি নিজৰ ঘোঁৰা পানীত নমাই দিছিল। বাকী চিপাহী সকলেও তেখেতক অনুসৰণ কৰি নিজৰ নিজৰ ঘোঁৰা পানীত চলাই দিছিল। প্ৰতিদ্বন্দ্বী সৈন্য বিলাকে এই আচৰিত দৃশ্য দেখি ভয়তে চিঞৰি চিঞৰি পলাবলৈ লৈছিল যে দেও আহি আছে। এনে সুযোগতে মুছলমান সকলে আগবাঢ়ি গৈ চহৰ আৰু কিছ্ৰাৰ মহল দখল কৰি লৈছিল। এনেদৰে মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ ভৱিষ্যতবাণী পূৰ্ণ হৈছিল। এই ভৱিষ্যতবাণী হুজুৰ (ছাঃ)য়ে আহযাবৰ যুদ্ধৰ সময়ত ব্যক্ত কৰিছিল। হজৰত ছাআদ (ৰাঃ)য়ে তাত ৰাজকীয় ধনমাল আৰু মূল্যবান বস্তু বাহানি জমা কৰিবলৈ আদেশ দিছিল। মুছলমান সৈন্য সকলে বৰ সততাৰ সৈতে গোটেইবোৰ বস্তু আনি এঠাইত জমা কৰিছিল যুদ্ধ লব্দ সামগ্ৰী বিতৰণৰ বিধি অনুযায়ী বণ্টন কৰি ১/৫ অংশ দৰবাৰে খিলাফতলৈ পঠাই দিছিল।

১৬ হিজৰিত জালুলাৰ যুদ্ধ সংগঠিত হৈছিল। মদায়েনৰ যুদ্ধত পৰাস্ত হৈ ইৰাণী সকলে বাগদাদ আৰু খোৰাচান প্ৰদেশৰ মাজত অৱস্থিত জলুলা চহৰত আহি একগোট হৈ যুদ্ধ প্ৰস্তুতি আৰম্ভ কৰিছিল। হজৰত উমৰ (ৰাঃ)ৰ আদেশ অনুযায়ী হজৰত ছাআদ (ৰাঃ)য়ে হাশিম বিন উতবা (ৰাঃ)ক ১২ হাজাৰ সৈন্যৰ সৈতে এই জলুলা চহৰলৈ পঠাই দিছিল। মুছলমান সৈন্য সকলে এমাহ এই চহৰখন অৱৰোধ কৰি ৰাখিছিল আৰু এই সময় ছোৱাত ৪০ বাৰ সংঘৰ্ষ হৈছিল। জলুলা বিজয় হোৱাত হজৰত উমৰ (ৰাঃ)য়ে আজমৰ বাসিন্দা অৰ্থাৎঅআৰবীয়ান সকলৰ পিছানুসৰণ কৰিবলৈ নিষেধ কৰি কৈছিল যে মই যুদ্ধ লব্দ সামগ্ৰীতকৈ (মালে গণিমত)মুছলমান সকলৰ নিৰাপত্তাক প্ৰাধান্য দিওঁ।

যেতিয়া মালে গনিমতৰ পঞ্চাংশ হজৰত উমৰ (ৰাঃ) ৰ খিদমতত আনি দিয়া হৈছিল তেতিয়া তেখেত (ৰাঃ) য়ে সেইবোৰৰ মাজত মূল্যবান মনি-মুকুতাৰ সামগ্ৰী চাই কান্দি উঠিছিল আৰু কৈছিল ইয়া আল্লাহ ! তুমি যি সম্প্ৰদায়ক এনে বস্তু দান কৰা, সেই সম্প্ৰদায়ৰ মাজত হিংসা-বিদ্বেষ বাঢ়ি যায়। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে বৰ চিন্তা আৰু ইস্তেগফাৰৰ বিষয়। আমি দেখিবলৈ পাই আহিছো যে মুছলমান সকলৰ মাজত হিংসা-বিদ্বেষ ধনমাল উপলব্দ হোৱাৰ পিছত বাঢ়ি গৈছে।

হজৰত ছাআদ (ৰাঃ)য়ে তেতিয়াও মদায়েনতেই অৱস্থান হোৱাৰ খবৰ পাইছিল। হজৰত উমৰ (ৰাঃ)ৰ নির্দেশ মর্মে জাৰাৰ বিন খাত্তাবৰ নেতৃত্বত এদল সৈন্য তালৈ প্রতিদ্বন্দীতাৰ বাবে যাত্রা কৰিছিল। মাছবজানৰ মিদানী অঞ্চল হিন্দক নামক ঠাইত দুয়োপক্ষৰ মাজত সংঘর্ষ হয় আৰু তাতেও ইৰাণী সকলে পৰাস্ত হৈছিল।

১৪ হিজৰিত হজৰত উমৰ (ৰাঃ)য়ে ফৌজ সম্পর্কে চিন্তা ভাৱনা কৰি কিছুমান লাভালাভৰ কথা ভাৰি ইৰাকত সৰু সৰু কেতবোৰ যুদ্ধ ঘাটি মুকলি কৰিছিল আৰু ছাউনি চহৰ বছৰাৰ বুনিয়াদ ৰাখিছিল। সেই অঞ্চলত ফৌজ ৰখাৰ মূখ্য উদ্দেশ্য আছিল এয়া যে যাতে ইৰাণী সৈন্যৰ সাহায্য গৈ পাব নোৱাৰে। মুছলমান সকলে খুৱাজিস্থানৰ মূখ্য চহৰ আহুয়াজ দখল কৰাৰ পিছত তাৰে ৰায়েছ বেৰুয়াছে মুছলমানৰ সৈতে সন্ধি কৰিছিল। এই যুদ্ধত মুছলমান সকলে বহু লোকক গ্রেপ্তাৰ কৰি আনি দাস বনাই লৈছিল, কিন্তু হজৰত উমৰ (ৰাঃ)ৰ আদেশতেই সকলোকেই মুক্তি দিব লগা হৈছিল। এই অঞ্চলত ইৰাণী সকলে দুখন বাটেৰে আহি মুছলমান ফৌজৰ ওপৰত বাৰে বাৰে আক্রমণ কৰিছিল। সেয়ে মুছলমান সকলে দুয়োখন বাটেই দখল কৰি লৈছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে বেছিভাগ ঠাইতেই আমি দেখিবলৈ পাওঁ যে যতেই মুছলমান সকলক অসুবিধা কৰা হৈছিল। এওঁলোকৰ ওপৰত আক্রমণ চলোৱা হৈছিল, তাতেই মুছলমান সকলে আক্রমণ কৰি সেই ঠাই দখল কৰি লৈছিল।

মুছলমান সকলে জালুছা জয় কৰাৰ পিছত ইৰাণী সকলে হৰমজানৰ নেতৃত্বত ৰামহৰমিজত আহি একগোট হৈছিল। হজৰত উমৰ (ৰাঃ)ৰ নির্দেশত হজৰত ছাআদ (ৰাঃ)য়ে নুমান বিন মকৰুনক কোফা আৰু আবু মুছা আশআৰিক বছৰাৰ পৰা সৈন্যদলৰ কমাণ্ডাৰ পাতি পঠাইছিল আৰু নির্দেশ দিছিল যে যেতিয়া দুয়োটা সৈন্যদল একেলগ হ'ব তেতিয়া আবু ছবৰা বিন ৰুহম সকলোৰে নায়ক (কমাণ্ডাৰ) হ'ব।নুমান বিন মকৰুণৰ ফৌজৰ সৈতে হৰমুজনৰ যুদ্ধ হয় আৰু তেওঁ পৰাজিত হৈ তছতিৰৰ ফালে পলাই যায়। এক দীঘলীয়া সময় অৱৰোধ কৰি ৰখাৰ পিছত যেতিয়া চহৰখন জয় কৰি লোৱা হৈছিল আৰু হৰমুজক গ্রেপ্তাৰ কৰা হৈছিল তেতিয়া তেওঁ এটা ইচ্ছা প্রকাশ কৰিছিল যে তাৰ মামলাটো হজৰত উমৰ (ৰাঃ)ৰ ওপৰত এৰি দিয়া যাওঁক। হজৰত আবু মুছা আশআৰী (ৰাঃ)য়ে হৰমুজনক হজৰত উমৰ (ৰাঃ)ৰ দৰবাৰ মদিনালৈ পঠাই দিছিল। যেতিয়া দলটো আহি মদিনাত প্রৱেশ কৰে তেতিয়া হৰমুজনক তাৰ ৰেচমৰ পোছাক পৰিধান কৰোৱা হৈছিল যাৰ ওপৰত সোণ খচিত কৰা আছিল আৰু হৰমুজনৰ মূৰত হীৰাৰ তাজ পিন্ধাই দিয়া হৈছিল যাতে হজৰত উমৰ (ৰাঃ) আৰু বাকী মুছলমান সকলে তাৰ আচল অবয়ৱটো দেখিবলৈ পায়। ইয়াৰ পিছত তেওঁ হজৰত উমৰ (ৰাঃ)ৰ বিষয়ে সুধিছিল, লোকে উত্তৰ দিছিল যে তেখেতে মছজিদত আছে। তেওঁ যেতিয়া মছজিদত গৈ উপস্থিত হৈছিল তেতিয়া হজৰত উমৰ (ৰাঃ) য়ে নিজৰ পাগুৰিৰ ওপৰত মূৰ থৈ শুই আছিল। হৰমুজনে সুধিছিল উমৰ ক'ত আছে? লোকে উত্তৰত কৈছিল যে সেয়া শুই আছে। সেই সময়ত হজৰত উমৰ (ৰাঃ)ৰ বাহিৰে আৰু কোনেও তাত নাছিল। হৰমুজনে সুধিছিল তেখেতৰ পহৰাদাৰ আৰু দাৰোৱান ক'ত আছে? লগত থকা লোকসকলে কৈছে তেখেতৰ কোনো পহৰাদাৰ দৰবাৰে কাতিব আৰু দিৱানৰ প্রয়োজন নাই। হৰমুজনে হঠাতে কৈ পেলাইছিল যে এই ব্যক্তি নিশ্চয় কোনো নবী বুলি অনুমান হয়। লোকসকলে কৈছিল যে নবী হয়তো নহয়! কিন্তু আম্বিয়াৰ বাটত নিশ্চয় আছে। হৰমুজনে হজৰত উমৰ (ৰাঃ)ৰ সততাত বৰকৈ মুগদ্ধ হৈছিল আৰু তেওঁ এফাকি বাক্যালাপৰ পিছত ইছলাম গ্রহণ কৰিছিল আৰু মদিনাতে বসবাস স্থাপন কৰিছিল। হজৰত উমৰ (ৰাঃ)য়ে তেওঁৰ বাবে দুহেজাৰ পেন্সন নির্ধাৰণ কৰি দিছিল। উকদাউল ফৰিদত লিখা আছে যে হজৰত উমৰ (ৰাঃ)য়ে ইৰাণলৈ সৈন্য প্রেৰণ কৰাৰ সময়ত হৰমুজনৰ পৰামর্শ

গ্ৰহণ কৰি তাৰ মতামত অনুযায়ী কাম কৰিছিল।

এয়া সন্দেহৰ স্থল আছে যে হজৰত উমৰ (ৰাঃ)ৰ শ্বাহাদতৰ ঘটনাত হৰমুজানৰ হাত আছিল কিন্তু হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই সন্দেহ কৰাটো সঠিক নহয় বুলি ভাৱে। গতিকে তেখেত (ৰাঃ)য়ে কৈছে যে হজৰত উমৰ (ৰাঃ)ৰ হত্যাকাৰী ফিৰোজ শ্বাহাদতৰ ঘটনাৰ আগত এদিন হৰমুজানক লগ ধৰিছিল। ফিৰোজৰ হাতত সৰু তৰোৱাল দেখি হৰমুজানে তাৰ কাৰণ সুধিছিল আৰু তৰোৱালখন নিজৰ হাতত লৈ দেখিছিল। যেতিয়া তেওঁলোক দুজনে কথা বতৰা পাতি আছিল তেতিয়া কোনোবায় তেওঁলোকক দেখিছিল। যেতিয়া হজৰত উমৰ (ৰাঃ)শ্বহীদ হৈ গৈছিল তেতিয়া সেই লোকজনে  কৈছিল যে মই নিজে হৰমুজানক এই তৰোৱাল ফিৰোজৰ হাতত দিওঁতে দেখিছো। এই কথাৰ ওপৰত ভিত্তি কৰি হজৰত উমৰ (ৰাঃ)ৰ সৰু পুত্ৰ আব্দুল্লাহ কোনো অনুসন্ধান নকৰাকৈয়ে পোনে পোনে নিজেই হৰমুজানক হত্যা কৰিছিল।

যেতিয়া হজৰত উচমান (ৰাঃ)য়ে খলিফা পদত অধিষ্ঠিত হৈছিল তেতিয়া তেখেত (ৰাঃ)য়ে হৰমুজানৰ পুত্ৰক মতাই আনিছিল আৰু আব্দুল্লাহক তাৰ হাতত গতাই দি কৈছিল যে হে মোৰ পুত্ৰ!  এইজন তোমাৰ দেউতাকৰ হত্যাকাৰী,গতিকে তুমি যোৱা আৰু তাক হত্যা কৰি পেলোৱা। যিয়েই নহওঁক পিছত হৰমুজানৰ পুতেকে লোকৰ অনুনয় বিনয়ত আব্দুল্লাহক হত্যা কৰা নাছিল। ইয়াৰ দ্বাৰা প্ৰমাণিত হয় যে হত্যাকাৰীক গ্ৰেপ্তাৰ কৰা আৰু দণ্ড বিহা শাসন বিভাগৰ কাম হয়।

হজৰত উমৰ (ৰাঃ)ৰ বিষয়ে বৰ্ণনা আগলৈ আৰু চলিব বুলি উল্লেখ কৰি হুজুৰ আনোৱাৰ (আইঃ)য়ে মকৰমা প্ৰোফেছৰ নছিম ছায়িদ চাহিবা পত্নী মহম্মদ ছায়িদ চাহাব (তাই হজৰত আলহজ  হাফিজ ডক্টৰ ছৈয়দ স্বফি চাহাব দেহলৱীৰ জীয়েক আছিল) মকৰমা  দাউদ চোলায়মান ভাট চাহাব জাৰ্মানী, মৰহুম জাৰ্মানীত হিফাজতে খাচৰ ডিউটি বৰ আনন্দ মনেৰে কৰি আছিল।  মকৰমা জাহিদা পাৰবিন চাহিবা পত্নী গোলাম মোস্তফা আয়ওয়ান চাহাব ডিপি জিলা ছিয়ালকোট, মকৰম ৰাণা আব্দুল ওয়াহিদ চাহাব (লণ্ডন) আৰু মকৰম আলহাজ মীৰ মহম্মদ আলি চাহাব (প্ৰাক্তন  ন্যাশ্বনাল আমিৰ জমাত বাংলাদেশ) আদি সকলোৰে কল্যাণ কামনা কৰি নমাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। আল্লাহ তা'লা মৰহুমিন সকলক মাগফিৰাত আৰু উন্নীত মৰ্যাদা দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................
..........................................................................................................................................
..........................................................................................................................................
..........................................................................................................................................
..........................................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**